# Cultural Aspects and Religious Traditions of Tea Tribe: A Study

**A Project Report submitted for the fulfillment of B.A. Degree by 6th Semester (Honours), Discipline Specific Elective (DSE)-4, CBCS, 2024 under Dibrugarh University**

Examined
17/05/24
External Examiner

**Submitted by**


**Name: Dipti Mili**
**Roll No: 30410023**
**Registration No: S2131900**
**B.A.6th Semester, CBCS**
**Education (Honours)**
**H.C.D.G College, Nitaipukhuri**
**2024**

# প্ৰশংসা পত্ৰ

"চাহ জনগোষ্ঠীৰ সাংস্কৃতিক দিশ আৰু ধৰ্মীয় পৰম্পৰা ঃ এক অধ্যয়ন।" শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছা~~ত্ৰ~~/ছাত্ৰী দিপ্তী মিলি ............................................ য়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে ষষ্ঠ ষান্মাসিকৰ শিক্ষাতত্ত্ব (সন্মান) বিষয়ৰ DSE 4: **"প্ৰকল্প প্ৰতিবেদন"**ৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষাতত্ত্ব বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

বিভাগীয় মুৰব্বী

শিক্ষাতত্ত্ব বিভাগ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

নিতাইপুখুৰী, শিৱসাগৰ

# প্ৰশংসা পত্ৰ

**"চাহ জনগোষ্ঠীৰ সাংস্কৃতিক দিশ আৰু ধৰ্মীয় পৰম্পৰা ঃ এক অধ্যয়ন।"** শীৰ্ষক এই ক্ষেত্ৰভিত্তিক অধ্যয়ন মোৰ তত্ত্বৱধানত শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ/ছাত্ৰী দিপ্তী মিলি য়ে সম্পন্ন কৰে। অনুসন্ধানকাৰীয়ে **ষষ্ঠ ষান্মাসিকৰ** শিক্ষাতত্ত্ব (সন্মান) বিষয়ৰ **DSE4: "প্ৰকল্প প্ৰতিবেদন"**ৰ উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ বাবে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

ড° ৰশ্মি ৰেখা দুৱৰা

তত্বাৱধায়ক

**শিক্ষাতত্ত্ব বিভাগ**

**হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়**

**নিতাইপুখুৰী, শিৱসাগৰ**

HCDG COLLEGE Department of Education NITAIPUKHURI

# কৃতজ্ঞতা পত্ৰ

পোন প্ৰথমে এই অধ্যয়নত বিভিন্ন দিশৰ পৰামৰ্শ আৰু সহায় আগবঢ়োৱা বাবে আন্তৰিক কৃতজ্ঞতা জনাইছো শ্ৰদ্ধাৰ ড° ৰশ্মি ৰেখা দুৱৰা বাইদেউক।

এই অধ্যয়নত বিভিন্ন ক্ষেত্ৰত সহায় আগবঢ়োৱা আৰু সু-পৰামৰ্শ প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে শিক্ষাতত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰীযুক্তা মানসী গগৈ বাইদেউৰ লগতে বিভাগৰ সমূহ অধ্যাপিকাক।

এই অধ্যয়নৰ তথ্যদানকাৰী শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচা এলেকাৰ তথ্যদানকাৰী ব্যক্তিসকল আৰু অধ্যয়নত তথ্য সংগ্ৰহ কৰোতে সহায় কৰা ব্যক্তিসকলৰ সহায়ৰ বাবে তেওঁলোকৰ শলাগ লৈছো।

এই প্ৰতিবেদন প্ৰস্তুত কৰোতে যি সকল ব্যক্তিয়ে সহায় সহযোগিতা আগবঢ়ালে তেখেত সকলকো যাঁচিলো সশ্ৰদ্ধ প্ৰণিপাত।

দিপ্তী মিলি

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰী

# ঘোষণা পত্ৰ

**"চাহ জনগোষ্ঠীৰ সাংস্কৃতিক দিশ আৰু ধৰ্মীয় পৰম্পৰা ঃ এক অধ্যয়ন।"** মোৰ নিজা অভিজ্ঞতাৰে নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ সংগ্ৰহ কৰা তথ্য সামগ্ৰীৰ ওপৰত ভিত্তি কৰি এই ক্ষেত্ৰভিত্তিক অধ্যয়নৰ প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু প্ৰতিবেদনখনি শিক্ষাতত্ত্ব বিভাগলৈ স্নাতক উপাধিৰ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

দিপ্তী মিলি

অনুসন্ধানকাৰী ছাত্ৰ/ছাত্ৰীৰ স্বাক্ষৰ

# ঃ বিষয়সূচী ঃ


প্ৰশংসা পত্ৰ

ঘোষণা পত্ৰ

কৃতজ্ঞতা পত্ৰ

তালিকা সূচী

চিত্ৰ সূচী

| | | পৃষ্ঠা নং |
|---|---|---|
| **অধ্যায়-১** | **ঃ আৰম্ভণি** | **১-৩** |
| ১.১ | ঃ শিৰোনাম | ১ |
| ১.২ | ঃ আৰম্ভণি | ১-৩ |
| ১.৩ | ঃ অধ্যয়নৰ যুক্তিযুক্ততা | ৩ |
| ১.৪ | ঃ অধ্যয়নৰ উদ্দেশ্য | ৩ |
| **অধ্যায়-২** | **ঃ প্ৰণালীতত্ত্ব** | **৪** |
| ২.১ | ঃ অধ্যয়নৰ পদ্ধতি | ৪ |
| ২.২ | ঃ জনসমষ্টি আৰু নমুনা | ৪ |
| ২.৩ | ঃ সঁজুলি আৰু কৌশল | ৪ |
| ২.৪ | ঃ তথ্য সংগ্ৰহ প্ৰণালী | ৪ |
| ২.৫ | ঃ তথ্য বিশ্লেষণ প্ৰণালী | ৪ |
| ২.৬ | ঃ অধ্যয়নৰ সীমাবদ্ধতা | ৪ |
| **অধ্যায় -৩** | **ঃ তথ্য বিশ্লেষণ আৰু উপস্থাপন** | **৫-১২** |
| ৩.১ | ঃ শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক দিশ | ৫-৯ |
| ৩.১.১ | ঃ উৎসৱ অনুষ্ঠান | ৫ |
| ৩.১.২ | ঃ নৃত্য-গীত, বাদ্য-যন্ত্ৰ | ৭-৮ |
| ৩.১.৩ | ঃ সাজ-পাৰ, আ-অলংকাৰ | ৮-৯ |
| ৩.২ | ঃ শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ ধৰ্মীয় পৰম্পৰা | ৯-১২ |
| ৩.২.১ | ঃ ধৰ্ম | ৯-১০ |
| ৩.২.২ | ঃ পূজা-পাৰ্বণ | ১০ |
| ৩.২.৩ | চাহ জনগোষ্ঠীয় ধৰ্মীয় কাৰ্য্যত মহিলাৰ অংশগ্ৰহণ ঃ | ১০ |
| ৩.২.৪ | ঃ গছ তলত পূজা | ১০-১১ |


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**অধ্যায় –৪ ঃ অধ্যয়নৰ ফলাফল** ১২

৪.১ ঃ শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক দিশৰ প্ৰাপ্ত ফলাফল ১২

৪.২ ঃ শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ ধৰ্মীয় পৰম্পৰাৰ প্ৰাপ্ত ফলাফল ১২

**অধ্যায় –৫ ঃ সামৰণি** ১৩

৫.১ ঃ শিক্ষাগত তাৎপৰ্য্য ১৩

৫.২ ঃ সামৰণি ১৩

**অৱশিষ্টাংশ ঃ**

১। ঃ গ্ৰন্থপুঞ্জী ১৪

২। ঃ প্ৰশ্নসূচী i-ii& i

৩। ঃ আলোকচিত্ৰ ১৫

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# তালিকাসূচী

## তালিকা

পৃষ্ঠা নং


তালিকা নং ঃ ১.২.২ শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং বাগিছাত থকা বিদ্যালয় ২

তালিকা নং ঃ ১.২.৩ চাহ জনগোষ্ঠীয় লোকৰ অৰ্থনৈতিক দিশ ৩

তালিকা নং ঃ ১.২.৪ ৰাজমাই ৭ নং বাগিচাৰ তথ্যদানকাৰী ব্যক্তিৰ মাহেকীয়া আয় ৩

তালিকা নং ঃ ২.২ জনসমষ্টি আৰু নমুনা দলৰ শ্ৰেণীকৰণ ৪

তালিকা নং ঃ ৩.১.১ চাহ জনগোষ্ঠীয় লোকৰ উৎসৱ অনুষ্ঠানসমূহ ৫

তালিকা নং ঃ ৩.২.১ চাহ জনগোষ্ঠীয় পৰম্পৰাগত গীতসমূহ ৮

তালিকা নং ঃ ৩.১.২ চাহ জনগোষ্ঠীয় লোকৰ বাদ্যযন্ত্ৰ ৮

তালিকা নং ৩.২.১ হিন্দুধৰ্মৰ পন্থা ৯


### পৰিশিষ্ট তালিকা


পৰিশিষ্ট ১ ঃ শিৱসাগৰ জিলাৰ মানচিত্ৰ ২

পৰিশিষ্ট ২ ঃ দুৰ্গাপূজা ৬

পৰিশিষ্ট ৩ ঃ চাৰুল পূজা ৭

পৰিশিষ্ট ৪ ঃ চাহ জনগোষ্ঠীয় ঝুমুৰ নৃত্যৰ সাজ-পাৰ ৯

পৰিশিষ্ট ৫ ঃ ৰাজমাই ৭ নং বাগিচা এলেকাৰ নামঘৰ ১০

পৰিশিষ্ট ৬ ঃ পিপল গছ ১১

পৰিশিষ্ট ৭ ঃ আলোক চিত্ৰ ১৪

পৰিশিষ্ট ৮ ঃ হিন্দুধৰ্মৰ পন্থাৰ পায় চিত্ৰ ৯

সঁজুলি

পৰিশিষ্ট ৮ ঃ প্ৰশ্নসূচী ১ i-ii

পৰিশিষ্ট ৯ ঃ প্ৰশ্নসূচী ২ i



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

প্ৰথম অধ্যায়

# আৰম্ভণি

## ১.১ শিৰোনাম (Title) ঃ

**চাহ জনগোষ্ঠীৰ সাংস্কৃতিক দিশ আৰু ধৰ্মীয় পৰম্পৰা ঃ এক অধ্যয়ন।**

## ১.২ আৰম্ভণি (Introduction) ঃ

বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ স্থলী অসম ৰাজ্য। অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে স্বকীয় সাংস্কৃতিক পৰিচয়েৰে সম্প্ৰতিৰে বসবাস কৰি আছে। জনগোষ্ঠীসমূহৰ ভিতৰত তিৱা জনগোষ্ঠী, আহোম জনগোষ্ঠী, কোঁচ ৰাজবংশী, চুতীয়া জনগোষ্ঠী, চাহ-জনগোষ্ঠী ইত্যাদি। যুগ যুগ ধৰি ভিন্ন জাতি জনগোষ্ঠীসমূহৰ ভাষা-সংস্কৃতিৰ সমন্বয়ত বৃহত্তৰ অসমীয়া সংস্কৃতি গঢ়ি উঠিছে। বিভিন্ন জাতি জনগোষ্ঠীৰ স্বকীয় ৰূপে অসমীয়া সংস্কৃতি এক বৈচিত্ৰ্যময়, সমৃদ্ধিশালী আৰু জাকত জিলিকা ৰূপত প্ৰতিষ্ঠিত কৰিছে।

বৃহত্তৰ অসমীয়া জাতি জনগোষ্ঠীৰ অংশ হিচাপে 'চাহ জনগোষ্ঠী' এক অন্যতম জনগোষ্ঠী। অসমৰ সমাজ জীৱনৰ এক অন্যতম বৃহৎ অংশ চাহ জনগোষ্ঠীৰ লোকসকল। অসমৰ বৈচিত্ৰ্যময় সাংস্কৃতিক জীৱন পৰিক্ৰমাৰ এক অবিচ্ছেদ্য অংগ চাহ জনগোষ্ঠীয় লোকসকল। নিজস্ব ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পৰম্পৰা, ধৰ্মীয় আৰু সাংস্কৃতিক পৰিচয়েৰে সমৃদ্ধ চাহ জনগোষ্ঠীয় লোকসকল।

১৮২৩ চনত ৰবাৰ্ট ব্ৰুচে অসমৰ মাটিত চাহগছ আৱিস্কাৰ কৰি পদ্ধতিগত ভাৱে চাহ খেতি কৰাৰ চিন্তা-চৰ্চা কৰাৰ লগে লগে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অসমলৈ চাহ বনুৱাৰ আমদানি কৰে আৰু পৰৱৰ্তি সময়ত এওঁলোকেই চাহ জনগোষ্ঠীৰূপে পৰিচিত হয়। চাহ জনগোষ্ঠী বুলিলে মূলতঃ অসমৰ চাহ উদ্যোগৰ লগত জড়িত শ্ৰমিক আৰু তেওঁলোকৰ সতি সন্ততিৰ কথাকে জনা যায়।

**আদি বাসস্থান ঃ**

চাহ জনগোষ্ঠীৰ লোকসকল ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা আহিছিল। তেওঁলোক মূলতঃ বিহাৰ, উৰিষ্যা, বঙ্গদেশ, উত্তৰ প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ আদিৰ পৰা অসমৰ চাহ বাগিচাসমূহত কাম কৰিবলৈ আহিছিল। উক্ত ৰাজ্যসমূহৰ তলত উল্লেখ কৰা ঠাইসমূহ চাহ জনগোষ্ঠীয় লোকৰ আদি বাসস্থান আছিল -

বঙ্গদেশ ঃ বৰহমপুৰ।

উৰিষ্যা ঃ বিলাসপুৰ, চৈবাচা, ডোমকা, জগদলপুৰ, সম্বলপুৰ।

উত্তৰ প্ৰদেশ ঃ ডেন্টন গঞ্জ।

মধ্য প্ৰদেশ ঃ ৰায়পুৰ, ৰামপুৰ হাট, যোধপুৰ।

বিহাৰ ঃ ৰাঁচি, গোৰখপুৰ।

মাদ্ৰাজ ঃ ভিজিয়ানা গ্ৰাম।

মহাৰাষ্ট্ৰ ঃ নাচিক।

চাহ জনগোষ্ঠীৰ উল্লেখযোগ্য সম্প্ৰদায়সমূহ হৈছে - মুণ্ডা, চাঁওতাল, ওৰাং, চাঁওৰা, খাৰীয়া, ভূমিজ, গোৱালা, কুৰ্মি, গড়, ভুইয়া ইত্যাদি। তেওঁলোকৰ আন আন উল্লেখযোগ্য সম্প্ৰদায়সমূহ হৈছে - ঘাটোৱাৰ, কোল, তেলি, ৰবিদাস, বৰাইক, কালিন্দি, ডোম, মালা, কৰ্মকাৰ, পানিকা, তুৰি, ৰাজোৱাৰ, তাঁতি, কেওট, হাৰী, নাগবংশী, ঘাছি, বাউৰি, লোহাৰ, বাইগা, ধানোৱাৰ, গৰাইট, মাহালি, নায়ক, কান্ৰাৰ, তাছা, পাচি, চত্ৰী, মোদী ইত্যাদি।

**শাৰীৰিক গঠন ঃ**

সাধাৰণতে চাহ জনগোষ্ঠীৰ লোকসকল আটিল। নাক চুটি আৰু ভোটা, চকুৰ বাদু ওলমা, উচ্চতা কিছু চাপৰৰ পৰা মধ্যমীয়া, গাৰ ৰং সাধাৰণতে ক'লা। কিছুলোক ক'লাৰ বিপৰীতে মিঠাবৰণীয়া আৰু বগা ৰঙৰ দেখা যায়। তিৰোতাসকলে হাত, ভৰি আৰু শৰীৰৰ বিভিন্ন অংগত ৰং আঁকি লয়। কোনো কোনো পুৰুষেও হাত আদিত সাপ, চৰাই, মাছ, আদি বিভিন্ন ধৰণৰ চিত্ৰ অঁকাই লয়।

**সংস্কৃতি ঃ**

চাহ জনগোষ্ঠীৰ লোকৰ সাংস্কৃতিক জীৱন পৰিক্ৰমা অতি বৰ্ণাঢ্য। উৎসৱ পাৰ্বনৰ লগতে মনসা গীত , টুচু গীত, ঝুমুৰ গীত, কাঠি নৃত্যৰ গীত, চহৰাই গীত, বৈঠাখানা গীত, দুলী গীত, চাওঁৰা নৃত্য, ঝুমুৰ নৃত্যই চাহ জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক জীৱন পৰিক্ৰমাৰ পৰিচয় দাঙি ধৰে।

সাংস্কৃতিক ক্ষেত্ৰত মুণ্ডা সম্প্ৰদায়ৰ ওপৰত হিন্দু আৰু খৃষ্টান উভয় সংস্কৃতিৰ প্ৰভাৱ পৰিস্ফুত হয়। চাহ বাগিচাৰ অন্যান্য গোষ্ঠীৰ শ্ৰমিকসকলৰ লগত একে লগে সমিল মিলে থকাত মুণ্ডা সকলৰ সামাজিক ৰীতি-নীতি আদিত কিছু পৰিৱৰ্তন

Head
Deptt. of Education
H.C.D.G. College Nitaipukhuri

হয়। তেওঁলোকে পূৰ্বপুৰুষৰ বাবে দেঁওপূজা কৰে। সৃষ্টিকৰ্তা লুটকুম বুঢ়া আৰু লুটকুম বুঢ়ীৰ নামত বুঢ়া-বুঢ়ীৰ পূজা আগবঢ়ায়। তেওঁলোকে চ'ত ব'হাগ মাহত ফুলৰ পূজা অৰ্থাৎ চাৰুল পূজা পালন কৰে।

চাওঁতালসকলে দেৱালীৰ সময়ত চহৰাই পৰ্বৰ পালন কৰে। ফাগুৱাৰ সময়ত ঝুমুৰৰ দৰে নাচ-গান পৰিৱেশন কৰে।

কুৰ্মিসকলে দেৱালী, ফাগুৱা, জিতিয়া কৰম, মনসা পূজা, কালীপূজা উৎসৱ পালন কৰে।

গোৱালা সকলে সত্যনাৰায়ণ পূজা পালন কৰে। ব্ৰাহ্মণ পুৰোহিতৰ জৰিয়তে হোম পুৰি বিবাহ সম্পন্ন কৰে।

গড় সম্প্ৰদায় লোকসকলে কৰম পৰ্বৰ , গ্ৰাম পূজা, ডাওৰীয়া পূজা, তিহাৰ পূজা, দেৱালী আদি পালন কৰে। তেওঁলোকৰ নিয়ম অনুযায়ী বিয়াৰ দিন ঠিৰাং কৰিবৰ বাবে দুয়োপক্ষৰ পৰা কেঁচা হালধিৰ টুকুৰা লৈ ডোখৰ ডোখৰ কৈ কাটি মিহলি কৰি পুনৰ দুভাগ কৰি এভাগ এভাগকৈ দুয়োপক্ষক দিয়ে। এই প্ৰথাই বিয়াৰ বন্দোবস্তি হোৱাটো বুজায়। বিয়াৰ দিন ঠিক হোৱাৰ পাছত দুয়োপক্ষই নিজৰ নিজৰ মিটিৰ কুটুম্বক এই হালধিৰ টুকুৰা দি বিয়ালৈ নিমন্ত্ৰণ জনায়।

**ধৰ্ম বিশ্বাস ঃ**

ধৰ্মৰ চালিকা শক্তি হৈছে বিশ্বাস। বিশ্বাস যেতিয়া বহুদিন ধৰি পুৰুষানুক্ৰমে বা বংশানুক্ৰমে চলি থাকে তেতিয়া ই পৰম্পৰাৰ ৰূপ পায়। চাহ জনগোষ্ঠীয় লোকসকলে পূৰ্বপুৰুষৰ পৰম্পৰাকে অনুযায়ী ধৰ্মীয় আচাৰ অনুষ্ঠানসমূহ পালন কৰি আহিছে। এই বিশ্বাস অনুযায়ী তেওঁলোকে সাপ, গছ, চন্দ্ৰ, সূৰ্য আদিক পূজা কৰে। গছৰ ভিতৰত আঁহত গছ, বৰগছ, তুলসী গছ, বেল আদি গছক পূজা কৰে। তেওঁলোকৰ সমাজত পূজা-পাতল, বলি বিধান প্ৰথা প্ৰচলন আছে। অপদেৱতাৰ বাবে পূজা আগবঢ়ায়। বিপদ আপদৰ পৰা হাত সাৰি সুখে-সন্তোষে জীয়াই থাকিবলৈ উপাস্য দেৱ-দেৱীৰ পূজা পাতল কৰে। চাহ জনগোষ্ঠীয় লোকসকলে সৰ্ব মঙ্গলা পূজা , চাৰুল পূজা, তুলসী পূজা, বুঢ়ী ঠাকুৰাণী পূজা, শীতলা পূজা আদি পূজা পালন কৰে। তেওঁলোকে সত্য নাৰায়ণ পূজা, লক্ষ্মী পূজা, টুচু পূজা, কৰম পূজা, দুৰ্গা পূজা পালন কৰে।

**শিৱসাগৰ জিলাৰ ৰাজমাই ৭নং চাহ বাগিচাৰ বিৱৰণ ঃ**

অসমৰ উজনিত অৱস্থিত এখন ঐতিহাসিক জিলা হৈছে শিৱসাগৰ জিলা। ছয়শ বছৰীয়া আহোম ৰাজত্বৰ সাক্ষী বহন কৰা আৰু পৰ্যটকৰ আকৰ্ষণৰ স্থলী শিৱসাগত জিলা। এই শিৱসাগৰ জিলাৰ মূল চহৰৰ পৰা ১৭ কিলোমিটাৰ দূৰত্বত ৰাজমাই ৭ নং চাহ বাগিচা অৱস্থিত। ৰাজমাই ৭ নং চাহ বাগিচাৰ উত্তৰে ঃ ডিমৌ, দক্ষিণে ঃ ৰজাবাৰী, পূবে ঃ খৰাহাট আৰু পশ্চিমে থাউৰা অৱস্থিত। যাতায়ত ব্যৱস্থা উন্নত। ৰাস্তা-পথ পকা। ৰাজমাই ৭ নং চাহ বাগিচা এলেকাত ৮০ ঘৰমান লোকৰ বসতিস্থান।

**চিত্ৰ নং - ১.২.১**

**শিৱসাগৰ জিলাৰ মানচিত্ৰ**




**উৎসঃ https://images.app.google**

**শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং বাগিছাৰ শৈক্ষিক বিৱৰণ ঃ**

শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং বাগিছাত থকা বিদ্যালয় কেইখন তলত উল্লেক কৰা হৈছে -

**তালিকা নং ঃ ১.২.২**

**শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং বাগিছাত থকা বিদ্যালয়**

| ক্ৰমিক নং | বিদ্যালয়ৰ নাম | চৰকাৰী/ বেচৰকাৰী | স্থাপিত |
|---|---|---|---|
| ১ | ৰাজমাই ৭নং মধ্য অসমীয়া বিদ্যালয় | চৰকাৰী | ১৯৭৯ |
| ২ | ৰাজমাই ৭নং চাহ বাগিচা উচ্চ মাধ্যমিক বিদ্যালয় | চৰকাৰী | ১৯৯৫ |
| ৩ | ৰাজমাই চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় | চৰকাৰী | ২০২২ |

ৰাজমাই ৭নং বাগিচাৰ এলেকাত ৬০ জন তথ্যদানকাৰী ব্যক্তিৰ শিক্ষাগত অৰ্হতাৰ ক্ষেত্ৰত দেখা যায় যে নিম্ন প্ৰাথমিক স্তৰত শতকৰা শিক্ষিতৰ হাৰ ১২%, উচ্চ প্ৰাথমিকত ১৭%, হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১২%, উচ্চতৰ মাধ্যমিক শিক্ষান্ত

Head
Deptt. of Education
...C.D.G. College...

পৰীক্ষাত ১৩%, উত্তীৰ্ণ। গতিকে মুঠ শিক্ষিতৰ হাৰ ৫৩%।

**চাহ জনগোষ্ঠীয় লোকৰ অৰ্থনৈতিক দিশ ঃ**

মানুহৰ জীৱন ধাৰণ প্ৰণালীৰ লগত অৰ্থনৈতিক দিশ ওতঃপ্ৰোত ভাৱে জড়িত। চাহ জনগোষ্ঠীয় লোকসকল চাহ বাগিচাৰ লগত জড়িত। চাহ বাগিচাত কৰ্মচাৰী হিচাপে নিয়োজিত হৈ জীৱন অতিবাহিত কৰে। তেওঁলোকৰ আৰ্থিক অৱস্থা ইমান স্বচ্ছল নহয়। ৭ নং ৰাজমাই চাহ বাগিচাৰ ৬০ জন তথ্যদানকাৰী ব্যক্তিৰ বৃত্তি তলৰ তালিকাত উল্লেখ কৰা হৈছে।

**তালিকা নং ঃ ১.২.৩ অৰ্থনৈতিক দিশ**

| বৃত্তি | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| ব্যৱসায় | ১২ | ২০% |
| বাগানৰ কৰ্মী | ৩৯ | ৬৫% |
| পূজাৰী | ১ | ২% |
| ছাত্ৰ | ৮ | ১৩% |
| মুঠ | ৬০ | ১০০% |

ৰাজমাই ৭ নং বাগিচাৰ তথ্যদানকাৰী ব্যক্তিৰ মাহেকীয়া আয় তলৰ তালিকাত দেখুওৱা হৈছে -

**তালিকা নং ঃ ১.২.৪ তথ্যদানকাৰী ব্যক্তিৰ মাহেকীয়া আয়**

| বৃত্তি | মাহেকীয়া আয় |
|---|---|
| পূজাৰী | ১০০০/- |
| বাগানৰ কৰ্মী | ৫২০০/- |
| ব্যৱসায় | ১৬০০০/- |

উক্ত তালিকাত দেখা গ'ল যে পূজাৰী গৰাকীৰ মাহেকীয়া আয় ১০০০/-, বাগানৰ কৰ্মীৰ ৫২০০/- আৰু ব্যৱসায় বৃত্তিৰ লগত জড়িত ব্যক্তিৰ আয় ১৬০০০/- ভিতৰত।

## ১.৩ অধ্যয়নৰ যুক্তিযুক্ততা (Rational of the Study) ঃ

অসমৰ চাহ জনগোষ্ঠীৰ লোকসকল বৃহত্তৰ অসমীয়া সমাজৰ এক গুৰুত্বপূৰ্ণ অংশ। ৰাজ্যৰ মুঠ জনসংখ্যাৰ প্ৰায় ২০% ই চাহ জনগোষ্ঠীয় লোক (The Times of India, 16th Feb.2019) চাহ জনগোষ্ঠীয় লোকৰ নিজা সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাই তেওঁলোকৰ জীৱন পৰিক্ৰমা আগুৱাই নিয়াত তাৎপৰ্যপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকক বাদ দি অসমীয়া জাতিৰ পৰিচয় সম্পূৰ্ণ হ'ব নোৱাৰে। তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ জৰিয়তে ৰাজ্যৰ অৰ্থনীতিৰ বৃদ্ধি আৰু উন্নয়নত যথেষ্ট অৰিহণা যোগাইছে। তেওঁলোকে সমাজ জীৱনত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই প্ৰত্যাহ্বানসমূহৰ মাজতো 'চাহ জনগোষ্ঠীয় লোকসকলে' নিজৰ সাংস্কৃতিক পৰিচয় আৰু ধৰ্মীয় পৰম্পৰা অনুযায়ী অসমৰ সাংস্কৃতিক পৰিৱেশ গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিভিন্ন গৱেষণামূলক অধ্যয়নত চাহ জনগোষ্ঠীয় লোকৰ বিষয়ে অৱলোকন কৰা হৈছে। একতা চাহু আৰু শ্যামলী ভূঞাৰ গৱেষণা নিবন্ধ "অসমৰ চাহ জনগোষ্ঠীয় লোকৰ শিক্ষাগত স্থিতি সম্পৰ্কে এক অধ্যয়ন, ৰিতু শৰ্মা আৰু পুনম কৌৰীৰ গৱেষণামূলক নিবন্ধ চাহ জনগোষ্ঠীয় লোকৰ আৰ্থ-সামাজিক আৰু শিক্ষাগত স্থিতি ঃ ডিব্ৰুগড় জিলাৰ থাউৰা বাগিচাত এক অধ্যয়ন", অনিতা বিশ্ব শৰ্মা আৰু বিতু বৰাৰ গৱেষণামূলক লিখনি অসমৰ চাহ জনগোষ্ঠীয় লোকৰ সামাজিক আৰু শৈক্ষিক অৱস্থা সম্পৰ্কে এক অধ্যয়ন, মিৰ বাহাৰ উদ্দীনৰ গৱেষণামূলক লিখনি চাহ জনগোষ্ঠীয় লোকৰ শিক্ষা আৰু স্বাস্থ্যৰ স্থিতি সম্পৰ্কে তিনিচুকীয়া জিলাত এক অধ্যয়ন শীৰ্ষক গৱেষণা মূলক লিখনিসমূহৰ জৰিয়তে চাহ জনগোষ্ঠীৰ বিষয়ে জনাত সহায় কৰে। এই গৱেষণামূলক লিখনিসমূহৰ দ্বাৰা চাহ জনগোষ্ঠীয় লোকৰ শিক্ষাগত স্থিতি, আৰ্থ-সামাজিক দিশ আৰু শিক্ষাগত স্থিতি, সামাজিক অৱস্থা, স্বাস্থ্য সম্পৰ্কে সচেতনতা শীৰ্ষক অধ্যয়ন সম্পন্ন কৰা হৈছে যদিও চাহ জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক দিশ আৰু ধৰ্মীয় পৰম্পৰা সম্পৰ্কে অধ্যয়ন তেনেই সীমিত। সেয়েহে এই অধ্যয়ন চাহ জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক দিশ আৰু ধৰ্মীয় পৰম্পৰা সম্পৰ্কে জনাত সহায়ক হ'ব।

## ১.৪ অধ্যয়নৰ উদ্দেশ্য (Objectives of the Study) ঃ

১। শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক দিশ সম্পৰ্কে অধ্যয়ন কৰা।

২। শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ ধৰ্মীয় পৰম্পৰা সম্পৰ্কে অধ্যয়ন কৰা।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

দ্বিতীয় অধ্যায়

# প্রণালীতত্ত্ব

**২.১ অধ্যয়নৰ পদ্ধতি (Methodology) ঃ**

উল্লেখিত লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক জৰীপ পদ্ধতিৰে এই অধ্যয়ন কাৰ্য্য সম্পাদন কৰা হৈছে।

**২.২ জনসমষ্টি আৰু নমুনা (Population and Sample) ঃ**

উক্ত অধ্যয়নৰ বাবে জনসমষ্টি লোৱা হৈছে ৬০ জন ব্যক্তি। ইয়াৰে ৩০ জন পুৰুষ আৰু ৩০ গৰাকী মহিলা। এই নমুনা দল শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচা এলেকাৰ পৰা নিৰ্বাচিত কৰা হৈছে।

**তালিকা নং ২.২**

**জনসমষ্টি আৰু নমুনা দলৰ শ্ৰেণীকৰণ**

| ক্ৰমিক নং | জিলা | এলেকাৰ নাম | জনসমষ্টি | নমুনা |
|---|---|---|---|---|
| ১ | শিৱসাগৰ জিলা | ৰাজমাই ৭ নং চাহ বাগিচা | পুৰুষ | ৩০ |
| ২ | শিৱসাগৰ জিলা | ৰাজমাই ৭ নং চাহ বাগিচা | মহিলা | ৩০ |
| মুঠ | - | - | - | ৬০ |

**২.৩ সঁজুলি আৰু কৌশল (Tools and Techniques) ঃ**

উক্ত অধ্যয়ন কাৰ্য্যৰ প্ৰয়োজনীয় তথ্য আহৰণ কৰিবৰ বাবে দুখন প্ৰশ্নসূচী প্ৰস্তুত কৰি ব্যৱহাৰ কৰা হৈছে। অনুসন্ধানকাৰীৰ পৰ্যবেক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

**২.৪ তথ্য সংগ্ৰহ প্ৰণালী (Procedure of Collection of Data) ঃ**

এই অধ্যয়নত দুটা উৎসৰপৰা তথ্য সংগ্ৰহ কৰা হৈছে। উৎস দুটা হৈছে - প্ৰাথমিক আৰু গৌণ উৎস। প্ৰাথমিক উৎস হিচাপে শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচা এলেকাৰ ৬০ গৰাকী ব্যক্তিৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। ইয়াৰে ৩০ গৰাকী পুৰুষ আৰু ৩০ গৰাকী মহিলা। গৌণ উৎস হিচাপে পাঠ্যপুথি, গ্ৰন্থ, আলোচনী, ইণ্টাৰনেটৰ তথ্যৰ সহায় লোৱা হৈছে।

**২.৫ তথ্য বিশ্লেষণ প্ৰণালী (Procedure of Analysis of Data) ঃ**

তথ্য বিশ্লেষণ কৰোতে প্ৰাপ্ত তথ্যৰ ওপৰত ভিত্তি কৰি বৰ্ণনাত্মক বিশ্লেষণ পদ্ধতি, পাৰিসাংখ্যিক পদ্ধতি ব্যৱহাৰ কৰা হৈছে। নমুনা দলে প্ৰদান কৰা প্ৰশ্নসূচীবোৰ সংগ্ৰহ কৰি প্ৰশ্নসূচীসমূহ একেলগ কৰি লোৱা হ'ল আৰু শতকৰা (%), পায়চিত্ৰ (Pie Diagram)ৰ সহায় লৈ বিশ্লেষণ কৰা হ'ল।

**২.৬ অধ্যয়নৰ সীমাবদ্ধতা (Limitation of the Study) ঃ**

(১) শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচাত এই অধ্যয়নৰ পৰিসৰ সীমাবদ্ধ কৰা হৈছে।

(২) এই অধ্যয়ন চাহ জনগোষ্ঠীয় লোকৰ মাজতে সীমাবদ্ধ কৰা হৈছে।

(৩) শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচাৰ ৬০ জন ব্যক্তিৰ মাজত এই অধ্যয়ন সীমাবদ্ধ কৰা হৈছে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

তৃতীয় অধ্যায়

# তথ্য বিশ্লেষণ আৰু উপস্থাপন

### ৩.১ শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচা এলেকাৰ চাহ জনগোষ্ঠীৰ লোকৰ সাংস্কৃতিক দিশ ঃ

#### ৩.১.১ উৎসৱ অনুষ্ঠান ঃ

উৎসৱ অনুষ্ঠান মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। জনজীৱনত ৰীতি-নীতি, আচাৰ-আচৰণ, নৃত্য-গীত, বাদ্যযন্ত্ৰ আদি উপাদানসমূহৰ মাধ্যমেৰে যিবিলাক অনুষ্ঠান পৰম্পৰাগত ভাৱে পালন কৰি আহিছে এইসমূহেই হৈছে উৎসৱ অনুষ্ঠান। তেওঁলোকে স্বকীয় ধৰণেৰে নিজা উৎসৱ পাৰ্বন পালন কৰে। শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচা এলেকাৰ চাহজনগোষ্ঠীয় লোকসকলে পালন কৰা উৎসৱ অনুষ্ঠানসমূহ তলত উল্লেখ কৰা ধৰণৰ -

**তালিকা নং ঃ ৩.১.১**

**চাহ জনগোষ্ঠীয় লোকৰ উৎসৱ অনুষ্ঠানসমূহ**

| ক্ৰমিক নং | উৎসৱ অনুষ্ঠানৰ নাম | উদ্‌যাপন কৰা মাহ |
|---|---|---|
| ১ | টুচু পূজা | পুহ মাহ |
| ২ | কৰম পূজা | ভাদ, আহিন আৰু আঘোণ মাহ |
| ৩ | গ্ৰাম দেৱতাৰ পূজা | আহাৰ আৰু ভাদ মাহ |
| ৪ | কালী পূজা | কাতি মাহ |
| ৫ | ফাকুৱা বা হোলী পৰ্ব্ব | ফাগুন মাহ |
| ৬ | চাৰুল পূজা | চ'ত আৰু ব'হাগ মাহ |
| ৭ | মনসা পূজা | ভাদ মাহ |

**কৰম পৰ্ব্ব বা কৰম পূজা ঃ**

চাহ জনগোষ্ঠীৰ লোকৰ জাতীয় উৎসৱ হৈছে - কৰম পূজা। এই উৎসৱে চাহ জনগোষ্ঠীৰ লোকৰ নিজস্ব কলা-সংস্কৃতিৰ ঐতিহ্য বহন কৰে। বছৰৰ তিনিটা সময়ত কৰম পৰ্ব্ব উদ্‌যাপন কৰা হয়। ভাদ মাহৰ শুক্লা একাদশী তিথিত পালন কৰা কৰম পৰ্ব্বক 'জিতিয়া কৰম', আহিন মাহৰ বিজয়া দশমী তিথিত পালন কৰা কৰম পৰ্ব্বক 'বুঢ়ী কৰম' আৰু আঘোণ মাহৰ পূৰ্ণিমা তিথিত পালন কৰা কৰম পৰ্ব্বক 'ৰাস ঝুমুৰ' বোলা হয়। কৰম পূজাত যুৱতীসকলে মুখ্য ভূমিকা পালন কৰে। কৰম পূজাত অংশ গ্ৰহণ কৰা ৰমণীসকলক 'কৰমতী' বোলা হয়। কৰম পূজাত ভাগ লোৱা কৰমতীয়ে ৩-৫ বা ৭দিনৰ আগতে ঢোল মাদল আদি বাদ্যৰে ধূপ-দীপ-নৈবেদ্য লৈ নদীৰ ঘাটলৈ গৈ কোনো এক নিৰ্দিষ্ট স্থানক পৰিষ্কাৰ কৰি পূজাস্থলী হিচাপে বাছি লয় আৰু পূজা আগবঢ়ায়। তেওঁলোকে পূজাস্থলীত ধূপ-ধূনা, চাকি-বন্তি জ্বলাই কৰম দেৱতাক স্তুতি কৰে আৰু লগত নিয়া পাচিত এঁকাজলিকৈ বালি ভৰায়। সেই বালিত কৰমতীসকলে বুট, মাহ, ধান, সৰিয়হ আদি সিঁচি দিয়ে। এই প্ৰথাক 'ঝাৱা তোলা' বা 'ঝাৱা উঠোৱা' বোলা হয়। এই মাহ, সৰিয়হৰ বীজবোৰ পূজাৰ দিনালৈ অংকুৰিত হয়। 'ঝাৱা তোলাৰ' পাছত তেওঁলোকৰ নিয়ম অনুযায়ী কৰম গছজোপাৰ ডাল কাটি আনি সাৰি মচি থোৱা চোতালত পুঁতি বেদি সঁজা হয়। কোনো কোনোৱে কৰমডালৰ কাষত বাঁহৰ আগ আৰু জৰিগছৰ ডাল পোতে। সন্ধিয়া হোৱাৰ লগে লগে মূল পূজা আৰম্ভ হয়। প্ৰথমতে পূজাত বেদীত ধূপ, চাকি জ্বলাই 'ঝাৱা' সহ ফল-ফুল আদি উছৰ্গা কৰা হয়। তাৰ পাছত কহনী বুঢ়াই (পুৰোহিত) উপবাসে থকা কৰমতী সকলক কহৱাই কৰম পূজাৰ প্ৰৱৰ্ত্তক কৰমা আৰু ধৰমাৰ কাহিনী শুনায়। ইয়াৰ পাছত কৰমতীসকলে কহলী বুঢ়াক বিদায় দিয়ে আৰু আৰম্ভ হয় নৃত্য গীতৰ বিশেষ অনুষ্ঠান। তেওঁলোকে ওৰে নিশা ঝুমুৰ গীত পৰিবেশন কৰে। কৰম পূজা তিনিদিন, পাঁচদিন আৰু সাত দিন ধৰি পালন কৰা হয়। কৰমপূজাৰ অন্যতম আকৰ্ষণ হৈছে ঝুমুৰ নৃত্য গীত।

ৰাজমাই ৭ নং বাগিচা এলেকাত চাহ জনগোষ্ঠীয় লোকসকলে পালন কৰা উৎসৱ অনুষ্ঠান সমূহ হৈছে - টুচু পৰ্ব্ব, কালী পূজা, ফাকুৱা বা হোলী পৰ্ব্ব, গ্ৰাম দেৱতাৰ পূজা, দূৰ্গা পূজা, চাৰুল পূজা, মনসা পূজা, চড়ক পূজা, বুঢ়া ডাঙৰীয়া পূজা ইত্যাদি।

**টুচু পৰ্ব্ব ঃ**

চাহ জনগোষ্ঠীয় লোকৰ অতি প্ৰিয় উৎসৱ হৈছে টুচু পৰ্ব্ব বা টুচু পূজা। জনগোষ্ঠীয় জীৱনক প্ৰতিনিধিত্ব কৰা এটা উৎসৱ হৈছে টুচু পৰ্ব্ব। পৰিয়ালৰ মঙ্গল, সা-সম্পত্তি বৃদ্ধি আৰু তিৰোতাসকলৰ মনৰ বাঞ্ছা পূৰ্ণ কৰাৰ নিমিত্তে টুচু পৰ্ব্ব পালন কৰে। পুহ মাহৰ সংক্ৰান্তিৰ দিনা এই উৎসৱ পালন কৰা হয়। এই পূজা মূলতঃ যুৱতী বা মহিলাসকলৰ হ'লেও পুৰুষসকলেও ইয়াত অংশ গ্ৰহণ কৰে। যুৱক যুৱতীসকল মিলি অতি আনন্দৰে এই উৎসৱ পালন কৰে। পুহ মাহৰ প্ৰায় ১৫-২০ দিনৰ পৰাই কোনোৱা এঘৰৰ এজনি ছোৱালীক 'টুচু মা' সাজি লয়। এই 'টুচু মাৰ' ঘৰতে টুচু দেৱীক প্ৰতিষ্ঠা কৰা হয়। দুটা পৰ্ব্বৰ মাজেৰে টুচু

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

পূজা পালন কৰা হয়। এটা পৰ্ব ঘৰত আৰু আনটো পৰ্ব নৈৰ ঘাটত পালন কৰা হয়। তেওঁলোকৰ নিয়ম অনুযায়ী টুচু দেৱীক নৈৰ ঘাটলৈ লৈ যোৱা হয় আৰু টুচু গীত গাই গাই টুচুদেৱীক নদীত বিসৰ্জন দিয়া হয়। টুচু গীত কেৱল টুচু পৰ্ৱতহে গোৱা হয়। টুচু পৰ্ৱৰ জনগোষ্ঠীটোৰ লোকৰ মাজত সমন্বয় সম্প্ৰীতিৰ বাৰ্তা বহন কৰে।

**কালী পূজা/চহৰাই পৰৱ/দেৱালী ঃ**

ৰাজমাই ৭ নং বাগিচা এলেকাত পালন কৰা আন এক বিশেষ উৎসৱ অনুষ্ঠান হৈছে কালী পূজা বা দেৱালী বা চহৰাই পৰৱ। কাতি মাহৰ অমাৱশ্যা তিথিত এই উৎসৱ পালন কৰা হয়। পোহৰৰ উৎসৱ হোৱাৰ বাবে এই উৎসৱক দেৱালী বুলি জনা যায়। একেটা তিথিতে কালী দেৱীৰ পূজা পালন কৰা হয় বাবে কালী পূজা বোলা হয়। গো-বন্দনাৰ উদ্দেশ্য চহৰাই পৰৱ পালন কৰা হয়। গৰুৰ শ্ৰীবৃদ্ধি আৰু মঙ্গল কামনা কৰিয়েই চহৰাই পৰৱ পালন কৰা হয়।

কালী পূজা চাহ বাগান এলেকাত বৰ শ্ৰদ্ধা ভক্তিৰে ওলহ-মালহেৰে পালন কৰে। তিনি দিন ধৰি এই উৎসৱত বন্তি প্ৰজ্বলন কৰা হয়।

দুৰ্গা পূজাৰ পাছৰ পৰাই চহৰাই পৰৱৰ বাবে সাজু হয়। পূজালৈ এসপ্তাহমান থাকোতেই ঘৰ দুৱাৰ লিপি বেৰত নানা ধৰণৰ চিত্ৰ অংকন কৰি ঘৰবিলাক সুন্দৰকৈ সজাই তোলে। চাহ জনগোষ্ঠীয় লোকসকলে চহৰাই পৰৱত গৰু ম'হৰ উন্নতিৰ লগতে ঘৰৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনায়।

**ফাকুৱা বা হোলী পৰৱ ঃ**

ৰাজমাই ৭ নং চাহ বাগিচা এলেকাত পালন কৰা উৎসৱ সমূহৰ ভিতৰত ফাকুৱা বা হোলী এক অন্যতম বিশেষ উৎসৱ। ফাকুৱা উৎসৱ চাহ সমাজৰ বাবে অতি পবিত্ৰ উৎসৱ। ফাগুন মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। এই পৰৱত চাহ জনগোষ্ঠীয় লোকসকলে নতুন সাজ-পোছাক পৰিধান কৰে আৰু ঘৰে ঘৰে গৈ নৃত্য গীত পাই হুচৰি গাই ফুৰে। ডেকাসকলে লগ লাগি হোলী গীত পাই 'কাঠী নৃত্য' কৰে। ঢোলৰ ছেৱে ছেৱে নাচি নাচি হাতত লৈ থকা মাৰিয়ে মাৰিয়ে আঘাত কৰি এই নৃত্য প্ৰদৰ্শন কৰে। এনেকৈয়ে প্ৰায় তিনি চাৰি দিন ধৰি আনন্দৰে উদ্‌যাপন কৰা অতিকৈ আদৰৰ ফাঁকুৱা উৎসৱৰ সামৰণি মাৰে।


**গ্ৰাম্য দেৱতাৰ পূজা ঃ**

গ্ৰাম্য দেৱতাৰ পূজা চাহ জনগোষ্ঠীয় সমাজত প্ৰচলন থকা দেখা যায়। সকলো মানুহ, গৰু-ছাগলী, হাঁহ-কুকুৰা আদি আটাইৰে যাতে অপায়-অমঙ্গল নহয় ৰোগ ব্যাধি নহয় এই উপলক্ষ্যে গ্ৰাম্য দেৱতাৰ পূজা পালন কৰা হয়। অপায় অমঙ্গল নহ'বৰ বাবে দেৱী কালী, মহাবীৰ হনুমান আৰু ডাঙৰীয়া দেৱতাক আৰাধনা কৰা হয়। গ্ৰাম্য পূজা ব'হাগ-জেঠ মাহত পালন কৰা হয়। গ্ৰাম্য পূজা পালনৰ দায়িত্ব পাহান বা ওজা, চকীদাৰ আৰু পানীৱালাক প্ৰদান কৰা হয়। গ্ৰাম্য পূজাৰ দিনা দুপৰীয়া সময়ৰ পৰা পূজাত কাম আৰম্ভ হয়। এই পূজাৰ দিনা সাধাৰণতে পাহান, পানীৱালা, চকীদাৰ আদি ব্যক্তিকেইজনে উপবাস পালন কৰে। পূজাত মাহ প্ৰসাদ আৰু ভোজ ভাত দুয়োবিধৰে আয়োজন কৰা হয়। আমৰলীয়া হাঁহৰ মাংস ভোজত দিয়া হয়। এটা ক'লা বৰণৰ ছাগলীও বলি দিয়া হয়। পূজাত বাদ্যযন্ত্ৰ আদি বজোৱা হয় আৰু বাদ্যযন্ত্ৰৰ তালে তালে দেও উঠাসকলে নৃত্য কৰে। পূজাৰ ৰাতি কোনো লোক বাহিৰলৈ নোলায়।

**দুৰ্গা পূজা ঃ**

ৰাজমাই ৭ নং বাগিচা এলেকাত মহিষ-মৰ্দিনী শাৰদীয় দুৰ্গা পূজাৰ যথেষ্ঠ প্ৰভাৱ আছে। সকলোৱে উলহ-মালহ আনন্দৰে এই পূজাত অংশ গ্ৰহণ কৰে। দুৰ্গা পূজা তেওঁলোকে সামূহিকভাৱে পালন কৰে। পূজাত পৰিধানৰ বাবে নতুন সাজ-পোছাক উপভোগৰ বাবে হাড়িয়া অৰ্থাৎ পানীয় মাদক আৰু দেৱীৰ উচ্ছৰ্গাৰ বাবে নিজস্ব নীতি অনুযায়ী পাঠা ছাগলী, হাঁহ আদি যোগাৰ কৰে। বেল গছৰ তলত বন্তি জ্বলাই দেৱীৰ আগমনৰ প্ৰতি আহ্বান জনায়। অপায়-অমঙ্গলৰ পৰা পৰিত্ৰাণ পাবলৈ বৰবলিৰ দিনা বলি দিয়া হয়। পূজা উপলক্ষ্যে তেওঁলোকে ঘৰ-দুৱাৰ আৰু চৌকা চাফ-চিকুণ কৰে। চাউলৰ গুড়িৰে অৰ্থাৎ পিঠাগুড়িৰে বেৰত আৰু দুৱাৰত ফোঁট দিয়ে আৰু ফুলৰ নক্সা অংকন কৰে। দুৱাৰ মুখত আম পাত আদি গাঁঠি আঁৰি দিয়ে। ভাচানৰ দিনা দেৱীক বিসৰ্জন দিয়া হয়।

**সংচিত্ৰ নং ঃ ৩.১.১ দুৰ্গাপূজা**



Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**চাৰুল পূজা ঃ**

চ'ত ব'হাগ মাহত চাৰুল পূজা নামৰ উৎসৱ পালন কৰা হয়। চাহ জনগোষ্ঠীয় লোকসকলে বছৰটো মঙ্গলৰ বাবে 'চাৰুল পৰৱ' চ'ত-ব'হাগ মাহত পালন কৰে। এই উৎসৱ দুদিনীয়াকৈ পালন কৰা হয়। প্ৰথম দিনা ন-বিধ তৰকাৰীৰে আহাৰ খোৱা 'ন-খোৱা উৎসৱ' আৰু দ্বিতীয় দিনা ফুল পূজা পতা হয়। ফুল পূজাত কাণত ফুল গুজি লয়। চাহ জনগোষ্ঠীৰ এই বসন্তকালীন উৎসৱ চাৰুল পৰৱ সকলোৱে অতি আনন্দৰে ওলহ-মালহেৰে পালন কৰে।

**সংচিত্ৰ নং ঃ ৩.১.২ চাৰুল পূজা**




**মনসা পূজা ঃ**

ৰাজমাই ৭ নং বাগিচা এলেকাত মনসা পূজাৰ প্ৰচলন আছে। ভাদ মাহৰ শেষত সৰ্প দেৱী মনসা পূজা পালন কৰা হয়। তেওঁলোকে মনসা পূজাত 'কড়ৰা' নামৰ এবিধ খেল খেলে। মনসা পূজা পাৰহৈ নোযোৱালৈকে কোমোৰা আৰু জিকাৰ তৰকাৰী নেখায়।

গতিকে দেখা যায় যে ৰাজমাই ৭ নং বাগিচা এলেকাত সকলোৱে মিলা-প্ৰীতিৰে উলহ মালহেৰে উৎসৱ অনুষ্ঠান সমূহ পালন কৰে। উৎসৱ পাৰ্বন প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত সম্পদ। চাহ জনগোষ্ঠীয় সমাজত উৎসৱ অনুষ্ঠান সমূহে সামাজিক আৰু আবেগিক দিশৰ বিকাশত যথেষ্ট ভূমিকা পালন কৰি আহিছে। চাহ জনগোষ্ঠীৰ উৎসৱ অনুষ্ঠানসমূহে সমাজ আৰু সংস্কৃতিৰ মাপকাঠী নিৰ্ণয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। উৎসৱ পাৰ্বণসমূহে কেৱল মাত্ৰ পূজা পাতলত আৱদ্ধ নহয় ইয়াৰ মাজেদি সংস্কৃতিৰ গুৰুত্বপূৰ্ণ দিশ উন্মোচিত হয়।

**৩.১.২ নৃত্য-গীত,বাদ্য-যন্ত্ৰ ঃ**

চাহ জনগোষ্ঠীয় লোকৰ বৰ্ণাঢ্য সংস্কৃতিৰ লগত সাঙুৰ খায় আছে তেওঁলোকৰ নিজস্ব নৃত্য-গীত, বাদ্য-যন্ত্ৰ। তেওঁলোকৰ নৃত্য-গীতে জীৱনৰ এক অংশ অধিকাৰ কৰি ৰাখিছে। ঝুমুৰ নৃত্য আৰু গীত চাহ জনগোষ্ঠীৰ সকলোৰে মাজত অতি জনপ্ৰিয়। তেওঁলোকৰ জাতীয় উৎসৱ কৰম পূজাত ঝুমুৰ নৃত্য-গীতত প্ৰাধান্য অতি বেছি। তেওঁলোকৰ পৰম্পৰাগত নৃত্যক ঝুমুৰ নৃত্য বোলা হয়।

ভাদ মাহৰ শুক্লা একাদশী তিথিত উদ্‌যাপিত চাহ জনগোষ্ঠীয় উৎসৱ কৰম পূজাৰ অংগৰূপে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰা হয়।

ঝুমুৰ নৃত্যত নাচনীসকলে একেলগে হাতত ধৰা ধৰি কৰি এটা দীঘলীয়া শাৰীৰ সৃষ্টি কৰে। প্ৰথম গৰাকী নাচনীয়ে নিজৰসোঁহাতৰ আঙুলিটো দ্বিতীয়গৰাকী নাচনীৰ বাওঁহাতৰ আঙুলিত সুমুৱাই নাচে।

ঝুমুৰ নৃত্য পৰিৱেশনত ডেকাই ঢোল, মাদল, তাল, বাঁহী আদি বাদ্য বজায় আৰু ঝুমুৰ গীত গায়।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

**তালিকা নং ঃ ৩.২.১**

**চাহ জনগোষ্ঠীয় পৰম্পৰাগত গীতসমূহ**

| ক্ৰমিক নং | গীত | গীতৰ কলি |
|---|---|---|
| ১ | মনসা গীত | "একটি ফুলেৰ লাগি, অত' অপমান গ'/দুৱাৰে বনাই দিব ফুলেৰী বাগান গ'।" |
| ২ | টুচু গীত | "কি বলব' গ' মাসী-পিসী কি বলব' দুখেৰ কথা/কাঁসা বাঁশে ঘূণ ধৰেছে তেখনি হামদেৰ দুৰ্দশা।" |
| ৩ | ঝুমুৰ গীত | "পাহাড়ে পৰ্বতে লতা ফুল ফুটে থকা থকা/কেমনে বান্ধিব চাইলেৰ খপা/তাই তোলে হইল' এমন দশা।" |
| ৪ | কাঠি নৃত্যৰ গীত | "কাঠি কাঠি বীৰবল কাঠি কাঠিৰ নাচ্চ চ্চলেচে/চ্চক্কে কাণে লাগে গেলে মৰণ সমান ৰে।" |
| ৫ | চহৰাই গীত | "কন শিংগে লেৱে বৰদা তেল' সিন্দুৰ গ'/কন শিংগে লেৱে দুৱ ধান/ দুন' শিংগে লেবে বৰদা তেল' সিন্দুৰ' থে/কপালতে লেৱে দুৱ' ধানৰে।" |
| ৬ | ফাকুৱা গীত | "গোপী সব' সঙ্গে নিয়া হৰি খেলে খেলি /দাণ্ডি বেঢ়াই যশোদা ৰাণী খোজে বনমালী।" |
| ৭ | খেলা গীত | "এত' এত' পানী ঘূৰ ঘূৰাণি /এত' এত' কাদা চাহাব দাদা/চ্ছট' চাহাবেৰ চ্ছট' ঘড়া বড়' চাহাবেৰ বড়' ঘড়া/চ্চাভুক মাৰে জড়া জড়া।" |

তেওঁলোকৰ চাহ জনগোষ্ঠীয় পৰম্পৰাগত গীত সমূহ হৈছে - মনসা গীত, টুচু গীত, ঝুমুৰ গীত, কাঠি নৃত্যৰ গীত, চহৰাই গীত, ফাঁকুৱা গীত, খেলা গীত, ডুলি গীত ইত্যাদি।

চাহ জনগোষ্ঠীয় সমাজত সৰু ল'ৰা ছোৱালীক উমলাবৰ বাবে গোৱা গীতসমূহক দুলী গীত বোলা হয়।

**বাদ্য-যন্ত্ৰ ঃ**

চাহ জনগোষ্ঠীয় সমাজত অপৰিৱৰ্তিত কলাৰূপে সমাদৰ লাভ কৰা বাদ্য-যন্ত্ৰসমূহৰ ভিতৰত উল্লেখযোগ্য বাদ্যযন্ত্ৰবোৰ তলৰ তালিকাত উল্লেখ কৰা ধৰণৰ -

**তালিকা নং ঃ ৩.১.২ চাহ জনগোষ্ঠীয় লোকৰ বাদ্যযন্ত্ৰ**

| চাহ জনগোষ্ঠীয় লোকৰ বাদ্যযন্ত্ৰ সমূহ - |
|---|
| ঢাক, ঢোল, মাদল, নাগাৰা, চাংগো, তুলকী, বাঁশী, চিংগা, কৰতাল,পেঁপা, নূপুৰ বা ঝুমুৰ, দুগৰ (সৰু নাগাৰা), তেৰেতেপ (পেঁপা), বেহেলা, চাৰেঙ্গী, শঁক বা শংখ, চেহনাই, মনভেঁৰী, ঘুংগুৰ ইত্যাদি। |

**৩.১.৩ সাজ-পাৰ, আ-অলংকাৰ ঃ**

সাজপাৰ আৰু আ-অলংকাৰ হৈছে এটা জাতি জনগোষ্ঠীৰ সংস্কৃতিৰ এক উপাদান স্বৰূপ।

**সাজ-পাৰ ঃ**

ৰাজমাই ৭ নং বাগিচা এলেকাৰ মহিলাসকলে অন্যান্য জাতি গোষ্ঠীৰ দৰে মহিলাসকলে শাৰী, মেখেলা, চাদৰ, ব্লাউজ আদি কৰি অন্যান্য সাজ-পোছাক পৰিধান কৰে। সাধাৰণতে তেওঁলোকৰ পুৰুষে ধুতি বা চুৰিয়া আৰু গাত কামিজ তথা পাঞ্জাৱী পৰিধান কৰে। বাগিচাত কাম কৰাৰ সুবিধাৰ বাবে তেওঁলোকে প্ৰায় চুটি পেণ্ট পিন্ধে। চাহ বাগানত কাম কৰিবৰ বাবে মহিলাসকলে কলাফুল ওলোৱাকৈ কাপোৰ পিন্ধে। তেওঁলোকে পৰম্পৰাগত ভাৱে ঝুমুৰ নৃত্য পৰিৱেশনৰ সময়ত লাল পাৰী বগা শাড়ী পৰিধান কৰে।

চাহ জনগোষ্ঠীয় উৎসৱ পাৰ্বণ বিশেষকৈ কৰম পৰৱত তেওঁলোকে ঝুমুৰ নৃত্য পৰিৱেশন কৰোতে মহিলাসকলে আঁঠুৰ তললৈকে কলাফুল ওলাই থকাকে 'লাল পাৰী বগা শাড়ী' পিন্ধে। হাতত ৰুমাল লয়। এই সাজকে চাহ জনগোষ্ঠীয় লোকৰ জাতীয় সাজ বোলা হয়। বৰ্ত্তমান সময়ত মহিলাসকলে বিভিন্ন ডিজাইনৰ মেখেলা-চাদৰ, শাড়ী, ব্লাউজ পৰিধান কৰে। যুৱতিসকলে আধুনিক সাজ-পাৰ পৰিধান কৰা দেখা যায়।



Head
Deptt. of Education
H.C.D.G. College

**সংচিত্ৰ নং ঃ ৩.১.৩**
**চাহ জনগোষ্ঠীয় ঝুমুৰ নৃত্যৰ সাজ-পাৰ**



**আ-অলংকাৰ ঃ**

অন্যান্য জাতি গোষ্ঠীৰ লোকৰ দৰে চাহ জনগোষ্ঠীয় লোকসকলে আ-অলংকাৰ ব্যৱহাৰ কৰে। তেওঁলোকে ব্যৱহাৰ কৰা আ-অলংকাৰে তেওঁলোকৰ কলাসুলভ মনৰ পৰিচয় দাঙি ধৰে।

পৰম্পৰাগতভাৱে মহিলাসকলে মূৰত সেওঁতাৰ পোনে পোনে ৰূপৰ চিতাপতি পিন্ধে, খোপাত পিন্ধে 'খংচ' নামৰ এপাহ ৰূপৰ ফুল। কাণত ঝুমকা পিন্ধে। নাকৰ ওপৰত নাকফুল। এক প্ৰকাৰ শকত আৰু গোলাকাৰ 'হাচলি' নামৰ অলংকাৰ ডিঙিত পিন্ধে। ডিঙিত পৰিধান কৰা আন এক অলংকাৰ হৈছে চন্দ্ৰহাৰ। হাতত চুৰি বা বালা, হাতৰ আঙুলিত আঙুঠি আৰু ককালত পিন্ধে কমৰগঠ। ভৰিৰ আঙুলিত আঙুঠি পিন্ধে। তিৰোতাসকলে চকুত কাজল, শিৰত ডাঠকৈ সেন্দুৰ লয়।

পুৰুষসকলে কিছু সংখ্যাকে কাণত বিন্ধা কৰে 'কানসি' নামৰ এবিধ অলংকাৰ কাণত পিন্ধে।

তেওঁলোকৰ মাজত ৰূপৰ অলংকাৰ প্ৰচলন বেছি।

**৩.২ ৰাজমাই ৭ নং এলেকাৰ চাহ জনগোষ্ঠীয় লোকৰ ধৰ্মীয় পৰম্পৰা ঃ**

চাহ জনগোষ্ঠীয় লোকসকলে নিজা পৰম্পৰা অনুযায়ী নিজ ধৰ্ম পালন কৰি আহিছে। তেওঁলোক বিভিন্ন পূজা পাতলত বিশ্বাসী। তেওঁলোকে পুৰুষানুক্ৰমে কিছুমান ধৰ্মীয় পৰম্পৰা পালন কৰি আহিছে।


**৩.২.১ ধৰ্ম ঃ**

চাহ জনগোষ্ঠীয় লোকৰ মূল ধৰ্ম হিন্দু। তেওঁলোকে হিন্দু ধৰ্মৰ শাক্তধৰ্মী আৰু নৱ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছে। তলৰ তালিকাত হিন্দুধৰ্মৰ পন্থা উল্লেখ কৰা হৈছে।

**তালিকা নং ঃ ৩.২.১ হিন্দুধৰ্মৰ পন্থা**

| হিন্দুধৰ্মৰ পন্থা | সংখ্যা | শতকৰা হাৰ |
|---|---|---|
| শাক্তধৰ্মী | ৩২ | ৫৩% |
| নৱবৈষ্ণৱ ধৰ্ম | ২৮ | ৪৭% |
| মুঠ | ৬০ | ১০০% |

**হিন্দু ধৰ্মৰ পন্থাক পায় চিত্ৰত দেখুওৱা হৈছে- পায় চিত্ৰ ৩.২.১**





Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

তেওঁলোকৰ এলেকাত নামঘৰ আছে।

**সংচিত্ৰ নং ঃ ৩.২.১**

**ৰাজমাই ৭ নং বাগিচা এলেকাৰ নামঘৰ**



**৩.২.২ পূজা-পাৰ্বণ ঃ**

তেওঁলোকৰ সমাজত দেৱ-দেৱীৰ পূজা পালন কৰা হয়। বিপদ আপদৰ পৰা হাত সাৰি সুখে সন্তোষে বাস কৰিবলৈ দেৱ-দেৱীৰ পূজা পালন কৰে। তেওঁলোকে পালন কৰা দেৱ-দেৱীৰ পূজাৰ সমূহৰ তলত উল্লেখ কৰা ধৰণৰ -

- সত্য নাৰায়ণ পূজা
- তুলসী পূজা
- লক্ষ্মী পূজা
- টুচু পূজা
- মনসা পূজা
- সৰ্ব মঙ্গলা পূজা
- শীতলা পূজা ইত্যাদি।

কিছুমান পূজাত বলি-বিধান প্ৰথা প্ৰচলন আছে। কিন্তু সত্য নাৰায়ণ পূজা, তুলসী পূজা, লক্ষ্মী পূজা, টুচু পূজা, কৰম পূজাত বলি বিধান প্ৰথাৰ ব্যৱস্থা নাই। সত্য নাৰায়ণ পূজাত হিন্দু দেৱতা বিষ্ণুক পূজা আগবঢ়োৱা হয়। লক্ষ্মীৰ প্ৰতীক হিচাপে তুলসী পূজা পালন কৰা হয়। লক্ষ্মী দেৱীৰ বাবে উছৰ্গিত পূজা লক্ষ্মী পূজা। স্বকীয় ৰূপত টুচু পূজা পালন কৰা হয়। ভাদ মাহত মনসা পূজা পালন কৰা হয়। দেৱীলৈ জিকা, মাগুৰ মাছ আৰু পইতা ভাত আগবঢ়োৱা হয়। পৰিয়ালৰ লোকৰ আৰু ঘৰৰ পোহনীয়া জীৱ-জন্তুৰ মঙ্গলৰ আৰ্থে চাহ জনগোষ্ঠীয় লোকসকলে শীতলা দেৱীৰ পূজা পালন কৰে। পূজাত আমৰলীয়া হাঁহ আৰু বগা পঠা ছাগলী বলি দিয়া হয়। কৰম দেৱতাৰ নামেৰে কৰম পূজা পালন কৰা হয়।

চাহ জনগোষ্ঠীয় সমাজত ধৰ্মীয় কাৰ্য্য পৰিচালনাৰ বাবে মূল ব্যক্তি আছে। তেওঁক 'পাহান' নামেৰে নামাকৰণ কৰা হয়।

**৩.২.৩ চাহ জনগোষ্ঠীয় ধৰ্মীয় কাৰ্য্যত মহিলাৰ অংশগ্ৰহণ ঃ**

তেওঁলোকৰ জনগোষ্ঠীয় সমাজত ধৰ্মীয় কাৰ্য্যত মহিলাসকলে অংশগ্ৰহণ কৰে। নাৰীকেন্দ্ৰীক পূজা সমূহ যেনে লক্ষ্মী পূজা, তুলসী পূজা, উষা ব্ৰত আদি নাৰীৰ মতেই সম্পন্ন কৰা হয়।

অপায় অমংগল ৰোধ কৰিবৰ বাবে অপদেৱতাক পূজা আগবঢ়ায়। আমৰলীয়া হাঁহ আৰু ছাগলী দি পূজা আগবঢ়ায়।

ৰাজমাই ৭ নং বাগিচা এলেকাত সমজোৱাকৈ দুৰ্গা পূজা পালন কৰা হয়। উলহ মালহ আৰু আনন্দৰ মাজতে নতুন সাজ-পোছাক, বলি বিধান প্ৰথা অনুযায়ী শাৰদীয় দুৰ্গা পূজা পালন কৰা হয়। দেৱীৰ উচ্চগাৰি বাবে পাঠা ছাগলী, হাঁহ আদিৰ যোগাৰ কৰে আৰু সকলোখিনি সামুহিক ভাৱে দুৰ্গা পূজা পালন কৰে।

জনগোষ্ঠীয় সমাজত নাৰীসকলৰ ধৰ্মীয় পূজা ভাগৰ নাম টুচু পূজা। টুচু দেৱীৰ নামত নতুন বাঁহৰ সৰু পাচিত ন-চাউলৰ পিঠাগুৰি, ফুল, সেন্দুৰ আদি লৈ সন্ধিয়া পূজাৰ আৰম্ভণি কৰে। পূজাৰ অন্তত টুচুদেৱীক নদীত বিসৰ্জন দিয়ে। এই পূজা একেলেথাৰিয়ে তিনিবাৰ পালন কৰা হয়।


**৩.২.৪ গছৰ তলত পূজা ঃ**

চাহ জনগোষ্ঠীয় সমাজত গছৰ তলত চাকি জ্বলোৱা হয়। তেওঁলোকে পিপল গছৰ তলত চাকি জ্বলায়। ইয়াৰ উপৰিও আহত গছ, তুলসী গছৰ তলত চাকি জ্বলায়। পিপল গছক অতি পবিত্ৰ গছ হিচাপে গণ্য কৰা হয়।



Head
Deptt. of Education
H.C.D.G. College

সংচিত্ৰ নং ঃ ৩.২.৩
পিপল গছ




এনেদৰে বিভিন্ন ধৰ্মীয় বিশ্বাসৰ দ্বাৰা তেওঁলোকৰ সমাজ জীৱন পৰিচালিত হয়।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

চতুৰ্থ অধ্যায়

# অধ্যয়নৰ ফলাফল

## ৪.০ অধ্যয়নৰ ফলাফল (Findings of the Study) :

### ৪.১ শিৱসাগৰ জিলাৰ ৰাজমাই ৭ নং চাহ বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ সাংস্কৃতিক দিশৰ প্ৰাপ্ত ফলাফলঃ

→ শিৱসাগৰ জিলাৰ ৰাজমাই ৭নং চাহ বাগিচাৰ চাহ জনগোষ্ঠীয় লোকসকলে পালন কৰা উৎসৱ অনুষ্ঠানসমূহ হৈছে - টুচু পূজা, কৰম পূজা, গ্ৰাম দেৱতাৰ পূজা, কালী পূজা, ফাকুৱা বা হোলী পৰৱ, চাৰুল পূজা, মনসা পূজা ইত্যাদি।

→ কৰম পৰৱ বা কৰম পূজা চাহ জনগোষ্ঠীয় লোকৰ জাতীয় উৎসৱ। এই পূজা তিনিদিন, পাঁচদিন আৰু সাত দিন ধৰি পালন কৰা হয়।

→ চাহ জনগোষ্ঠীয় লোকক প্ৰতিনিধিত্ব কৰা আন এক উল্লেখযোগ্য উৎসৱ অনুষ্ঠান টুচু পৰৱ। জনগোষ্ঠীৰ সম্প্ৰীতিৰ আৰু সমন্বয়ৰ বাৰ্তা স্বৰূপ এই উৎসৱ।

→ কালী পূজা/চহৰাই পৰৱ/দেৱালী আন এক বিশেষ উৎসৱ। অতি ভক্তিভাৱে আৰু ওলহ-মালহেৰে এই উৎসৱ পালন কৰা হয়।

→ ফাকুৱা বা হোলী পৰৱ এক উল্লেখযোগ্য উৎসৱ। তিনি চাৰিদিন ধৰি এই উৎসৱ পালন কৰা হয়।

→ সকলো মানুহ, গৰু-ছাগলী, হাঁহ-কুকুৰা আদিৰ অপায়-অমঙ্গল, ৰোগ-ব্যাধিৰ পৰা পৰিত্ৰাণ পাবলৈ গ্ৰাম্য দেৱতাৰ পূজা পালন কৰা হয়।

→ মহিষ-মৰ্দিনী শাৰদীয় দুৰ্গা পূজা অতি উলহ-মালহেৰে সামূহিক ভাৱে পালন কৰা হয়।

→ চ'ত-বহাগ মাহত দুদিনীয়াকৈ বসন্তকালীন উৎসৱ 'চাৰুল পূজা' পালন কৰা হয়।

→ ৰাজমাই ৭নং চাহ বাগিচা এলেকাত সৰ্পদেৱী মনসা পূজা অতি ভক্তিভাৱে পালন কৰা হয়।

→ নৃত্য-গীত, বাদ্য-যন্ত্ৰ তেওঁলোকৰ পৰম্পৰাগত নৃত্যক ঝুমুৰ নৃত্য বোলা হয়।

→ চাহজনগোষ্ঠীয় পৰম্পৰাগত গীতসমূহ হৈছে - মনসা গীত, টুচু গীত, ঝুমুৰ গীত, কাঠি নৃত্যৰ গীত, চহৰাই গীত, ফাকুৱা গীত।

→ চাহ জনগোষ্ঠীয় লোকৰ বাদ্যযন্ত্ৰসমূহ হৈছে-ঢাক, ঢোল, মাদল, নাগাৰা, চাংগো, তুলকী, বাঁশী, চিংগা, কৰতাল,পেঁপা, নূপুৰ বা ঝুমুৰ, দুগৰ (সৰু নাগাৰা), তেৰেতেপ (পেঁপা), বেহেলা, চাৰেঙ্গী, শঁক বা শংখ, চেহনাই, মনভেঁৰী, ঘুংগুৰ ইত্যাদি।

→ চাহ জনগোষ্ঠীয় লোকসকলে পৰম্পৰাগত ভাৱে ঝুমুৰ নৃত্য পৰিৱেশন কৰোতে 'লাল পাৰী বগা শাৰী' পৰিধান কৰে।

→ সাধাৰণতে মহিলাসকলে শাৰী, মেখেলা-চাদৰ, ব্লাউজ আদি সাজ-পাৰ পৰিধান কৰে। পুৰুষ সকলে ধুটি বা চুৰিয়া আৰু গাত কামিজ বা পাঞ্জাবী পৰিধান কৰে।

→ আ-অলংকাৰৰ ভিতৰত চাহ জনগোষ্ঠীয় মহিলাসকলে চিতাপটি, খংচ, ঝুমকা, নাকফুলি, হাচলি, চন্দ্ৰহাৰ, চুৰি বা বালা, হাতৰ আঙুঠি, কমৰগঠ, ভৰিৰ আঙুঠি ইত্যাদি। পুৰুষসকলে কাণত 'কাণসি', নামৰ এবিধ অলংকাৰ পৰিধান কৰে।

### ৪.২ ৰাজমাই ৭নং চাহ বাগিচাৰ চাহ জনগোষ্ঠীয় লোকৰ ধৰ্মীয় পৰম্পৰাৰ প্ৰাপ্ত ফলাফল :

→ চাহ জনগোষ্ঠীয় লোকৰ মূল ধৰ্ম হিন্দু। তথ্যদানকাৰী ব্যক্তিসকলৰ ৫৩% ব্যক্তি শাক্তধৰ্মী হোৱাৰ বিপৰীতে ৪৭% নৱবৈষ্ণৱ ধৰ্মৰ লোক।

→ ৰাজমাই ৭নং চাহ বাগিচা এলেকাত নামঘৰ আছে।

→ ৰাজমাই ৭নং চাহ বাগিচা এলেকাত পালন কৰা পূজা সমূহ হৈছে - সত্য নাৰায়ণ পূজা, তুলসী পূজা, লক্ষ্মী পূজা, টুচু পূজা, মনসা পূজা, সৰ্ব মঙ্গলা পূজা, শীতলা পূজা ইত্যাদি।

→ তেওঁলোকৰ সমাজত পূজাত বলি-বিধান প্ৰথাৰ প্ৰচলন আছে।

→ চাহ জনগোষ্ঠীয় সমাজত ধৰ্মীয় কাৰ্য্য পৰিচালনাৰ বাবে 'পাহান' নামৰ ব্যক্তি আছে।

→ চাহ জনগোষ্ঠীয় সমাজত ধৰ্মীয় কাৰ্য্যত মহিলাসকলে অংশ গ্ৰহণ কৰে। নাৰীসকলৰ জনগোষ্ঠীয় পূজা ভাগৰ নাম টুচু পূজা। এই পূজা একেলেথাৰিকৈ তিনিবাৰ পালন কৰা হয়।

→ চাহ জনগোষ্ঠীয় লোকসকলে গছৰ তলত চাকি জ্বলায়। তেওঁলোকে পিপল গছ, তুলসী গছ, বট গছ, বেল গছৰ তলত পূজা কৰে।

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

পঞ্চম অধ্যায়

# সামৰণি

## ৫.০ শিক্ষাগত তাৎপৰ্য্য (Educational Significance) ঃ

এই অধ্যয়নৰ যথেষ্ট শিক্ষাগত তাৎপৰ্য্য আছে। কিয়নো এই অধ্যয়নে চাহ জনগোষ্ঠীৰ সাংস্কৃতিক দিশ আৰু ধৰ্মীয় পৰম্পৰাৰ এক প্ৰতিচ্ছবি ডাঙি ধৰিছে। এই অধ্যয়নৰ পৰা লাভ কৰা ফলাফলৰ ওপৰত ভিত্তি কৰি তলত উল্লেখ কৰা পৰামৰ্শসমূহ আগবঢ়োৱা হ'ল -

- এই অধ্যয়নে চাহ জনগোষ্ঠীয় লোকক সামাজিকীকৰণ কৰাত, নৈতিক জ্ঞান আৰু সামাজিক বান্ধোন দৃঢ় কৰাত সহায় কৰিব।
- সাংস্কৃতিক দিশত চাহ জনগোষ্ঠীয় লোকক উৎসাহিত কৰিলে তেওঁলোক অধিক অনুপ্ৰাণিত হ'ব।
- তেওঁলোকৰ মাজত থকা সাংস্কৃতিক কৰ্মস্পৃহাক বিকাশৰ সুযোগ প্ৰদান কৰিব লাগিব কিয়নো উৎসৱ পাৰ্বণৰ মাজেদি চাহ জনগোষ্ঠীয় লোকৰ সামাজিক জীৱন আৰু ঐতিহাসিক পটভূমি পৰিশীলিত ৰূপত প্ৰকাশ পাইছে।
- চাহ জনগোষ্ঠীয় সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাই তেওঁলোকৰ জীৱন আৰু পৰিচয় গঢ়াত তাৎপৰ্য ভূমিকা পালন কৰে। বিভিন্ন পটভূমিত ব্যক্তিসকল একত্রিত হৈ সমন্বয় আৰু সাংস্কৃতিক আদান-প্ৰদান কৰে। সেয়েহে ভৱিষ্যত প্ৰজন্মৰ বাবে সংস্কৃতি সংৰক্ষণ কৰা প্ৰয়োজন।

## ৫.১ সামৰণি (Conclusion) ঃ

চাহ জনগোষ্ঠীয় সমাজ জীৱন পৰম্পৰাগত ৰীতি-নীতি অনুযায়ী পৰিচালিত হয়। নিজস্ব ৰীতি-নীতি, পৰম্পৰা, লোকাচাৰ, সংস্কৃতিৰে উজ্জীৱিত চাহ জনগোষ্ঠীয় লোকসকল। চাহ জনগোষ্ঠীয় লোকসকলে উৎসৱ অনুষ্ঠান, সাজ-পাৰ, আ-অলংকাৰ, বাদ্যযন্ত্ৰ, গীত-মাত, ধৰ্ম দিশত নিজা সংস্কৃতি অটুট ৰাখিছে। উৎসৱ অনুষ্ঠানসমূহ কেৱল পূজা-অৰ্চনাতে আবদ্ধ নহয় ইয়াৰ মাধ্যমেদি জনগোষ্ঠীয় লোক-সংস্কৃতিৰ গুৰুত্বপূৰ্ণ দিশ উন্মোচিত হয়। তেওঁলোক সৌন্দৰ্য প্ৰিয়। ঘৰৰ বেৰত, দুৱাৰত ৰং-বিৰঙৰ ফুল, সাপ, হাতী, ঘোঁৰা নানা জীৱ-জন্তু আৰু মানুহৰ ছবি আঁকি জকমকীয়া কৰি ৰাখে। বাসগৃহ পৰিষ্কাৰ আৰু চকুত লগাকৈ ৰখাটো তেওঁলোকৰ বৈশিষ্ট্য। তেওঁলোকে কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাৰ জৰিয়তে ৰাজ্যৰ অৰ্থনীতিৰ বৃদ্ধি আৰু উন্নয়নত যথেষ্ট অৰিহণা যোগাইছে। তেওঁলোকৰ জীৱন যাত্ৰাত প্ৰত্যাহ্বান আছে যদিও নিজস্ব সাংস্কৃতিক পৰিচয়ৰে অসমৰ সাংস্কৃতিক পৰিৱেশ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

****************

**গ্ৰন্থপুঞ্জী ঃ**


তাছা. দে. (২০০৯) 'অসমৰ চাহ জনগোষ্ঠী ঃ এক পৰিচয়'। দলে, ব. কু. (সম্পাদিত) অসমৰ জনগোষ্ঠী এটি পৰিচয়, ধেমাজি ঃ ধেমাজি অফচেট প্ৰিণ্টাৰ্চ, ৯৯-১৪৮

বৰা, লো. কু. (২০০৬) 'অসমৰ চাহ জনগোষ্ঠীৰ সমাজ আৰু সংস্কৃতি', ডিব্ৰুগড় ঃ কৌস্তুভ প্ৰিণ্টাৰ্ছ।

বৰুৱা, অ. (২০১৫) 'অসমৰ উৎসৱ', গুৱাহাটী ঃ অসমীয়া ভাষা আৰু ছফটৱেৰ বিকাশ কেন্দ্ৰ।

শইকীয়া, অ., কাকতি, শিখামণি. (২০১৪) 'অসমৰ চাহ জনজাতি সমাজত প্ৰচলিত লোকবিশ্বাস', দাস, অ. (সম্পাদিত) অসমৰ বাৰেবৰণীয়া সংস্কৃতি, গুৱাহাটী ঃ আঙ্গিক প্ৰেছ।

Bishwa Sarma, A.& Borah. B. (2019). Social and Educational Condition of Tea Tribes of Assam : A Study. *Journal of Emerging Technologies and Inovative Research*, 6 (6), 343-344.

Sharma. R. & Koiri. P. (2022). A Study on Socio-Economic and Educational Status of Tea Tribe Community with Special Reference to Thowra Tea Estate, Dibrugarh, Assam. *Journal of Positive School Psychology,* 6(3), 6768-6772.

Sahu, E. & Bhuyan.S. (2022). A Study on the Educational Status of Tea-Tribe Community in Assam. *Journal of Positive School Psychology,*6(2),5385-5389

Uddin, M.B. (2023). A Study on the Educational and Health Status of the tea tribe community children in Tinsukia, Assam. *International Journal of Creative Research Thoughts,* 11 (5), 34-39

https://images.app.goo.gl


Head
Deptt. of Education
H.C.D.G. College, Nitaipukhur.

# আলোকচিত্ৰ













Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# চাহ জনগোষ্ঠীৰ সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰা সম্পৰ্কে এক অধ্যয়ন

## প্ৰশ্ন সূচী ঃ ১

**ব্যক্তিৰ ব্যক্তিগত তথ্য ঃ**

তথ্যদানকাৰীৰ নাম ঃ

বয়স ঃ

লিংগ ঃ পুৰুষ/মহিলা

বৃত্তি ঃ

শিক্ষাগত অৰ্হতা ঃ

মাহেকীয়া আয় ঃ

**আৱাসিক এলেকাৰ বিৱৰণ ঃ**

এলেকা/বাগানৰ নাম ঃ

পৰিসীমা ঃ

জনসংখ্যা ঃ

পুৰুষ ঃ

মহিলা ঃ

যাতায়ত ব্যৱস্থা ঃ (পকা ৰাস্তা/কেচাঁ ৰাস্তা/শিলগুটিযুক্ত ৰাস্তা)

এলেকাত থকা বিদ্যালয়ৰ নাম ঃ

স্থাপিত ঃ

চৰকাৰী/বেচৰকাৰী ঃ

**উৎসৱ-পাৰ্বণ ঃ**

১। চাহ জনগোষ্ঠীৰ জাতীয় উৎসৱ কি ?

২। এই উৎসৱ কিমান দিনলৈ পালন কৰা হয়?

৩। চাহ জনগোষ্ঠীৰ লোকসকলে পালন কৰা উৎসৱসমূহ কি কি ?..............................................

..............................................

৪। আপোনাৰ সমাজত উৎসৱসমূহ কেনেধৰণে পালন কৰা হয়। উল্লেখ কৰক ..............................................

..............................................

**নৃত্য-গীত, বাদ্য যন্ত্ৰ ঃ**

৫। আপোনালোকৰ জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্যক কি নামেৰে জনা যায়?..............................................

৬। এই নৃত্য কেনেধৰণে পৰিৱেশন কৰে? উল্লেখ কৰক..............................................

..............................................

৭। এই নৃত্য পৰিৱেশনত কি কি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়? উল্লেখ কৰক..............................................

..............................................

৮। আপোনালোকৰ জনগোষ্ঠীত পৰম্পৰাগত গীত সমূহক কি নামেৰে জনা যায়?..............................................

Head
Deptt. of Education
H.C.D.G. College, Nitainukhuri

৯। সৰু ল'ৰা-ছোৱালীক উমলাবৰ বাবে গোৱা গীত সমূহক কি নামেৰে জনা যায়? ..............................

১০। চাহ জনগোষ্ঠীৰ বাদ্যযন্ত্ৰসমূহ কি কি? ..............................

**সাজ পাৰ, আ-অলংকাৰ ঃ**

১১। আপোনালোকৰ নাৰীসকলে পৰম্পৰাগতভাৱে কেনেধৰণৰ সাজ-পাৰ পৰিধান কৰে উল্লেখ কৰক

..............................

..............................

১২। আপোনালোকৰ পৰম্পৰাগত নৃত্য পৰিৱেশন কৰোতে মহিলাসকলে কেনেধৰণৰ সাজ-পাৰ পৰিধান কৰে? উল্লেখ কৰক

..............................

..............................

১৩। চাহ জনগোষ্ঠীৰ পুৰুষসকলে পৰম্পৰাগতভাৱে কেনেধৰণৰ আ-অলংকাৰ পৰিধান কৰে? উল্লেখ কৰক

..............................

..............................

১৪। চাহ জনগোষ্ঠীৰ যুৱতী আৰু মহিলাসকলে বৰ্তমান সময়ত কেনেধৰণৰ সাজ-পাৰ পৰিধান কৰে? উল্লেখ কৰক..............................

..............................

..............................
তথ্য সংগ্ৰহকাৰীৰ স্বাক্ষৰ

..............................
তথ্যদান কাৰীৰ স্বাক্ষৰ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# চাহ জনগোষ্ঠীৰ সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰা সম্পৰ্কে এক অধ্যয়ন

## প্ৰশ্ন সূচী ঃ ২

**ব্যক্তিৰ ব্যক্তিগত তথ্য ঃ**

তথ্যদানকাৰীৰ নাম ঃ

বয়স ঃ

লিংগ ঃ পুৰুষ/মহিলা

বৃত্তি ঃ

শিক্ষাগত অৰ্হতা ঃ

মাহেকীয়া আয় ঃ

১। আপোনাৰ মূল ধৰ্ম কি?...........................................

২। আপুনি যদি হিন্দুধৰ্মী কোনটো পন্থা গ্ৰহণ কৰিছে? [শাক্তধৰ্মী] [নৱবৈষ্ণৱ ধৰ্ম] [অন্যান্য]

যদি আপুনি অন্য ধৰ্ম গ্ৰহণ কৰিছে উল্লেখ কৰক.......................................................................................................

৩। আপোনাৰ এলেকাত 'নামঘৰ' আছে নে ? [আছে] [নাই]

৪। আপোনাৰ সমাজত দেৱ-দেৱীৰ পূজা কৰা হয় নেকি? [হয়] [নহয়]

যদি দেৱ-দেৱীৰ পূজা কৰা হয় কি কি পূজা পালন কৰা হয়? উল্লেখ কৰক.......................................................................

৫। আপোনাৰ সমাজত ধৰ্মীয় কাৰ্য্য পৰিচালনাৰ বাবে মূল ব্যক্তি আছে নেকি? [আছে] [নাই]

যদি ধৰ্মীয় কাৰ্য্য পৰিচালনাত মূল ব্যক্তি আছে তেওঁক কি নামেৰে নামাকৰণ কৰা হয়? উল্লেখ কৰক.......................................

৬। আপোনালোকৰ জনগোষ্ঠীয় সমাজত ধৰ্মীয় কাৰ্য্যত মহিলাসকলে অংশ গ্ৰহণ কৰেনে? [কৰে] [নকৰে]

৭। চাহ জনগোষ্ঠীৰ জাতীয় উৎসৱ কি? [কৰম পূজা] [কালী পূজা]

৮। কোন দেৱতাৰ বাবে এই পূজা পালন কৰা হয়?.............................................................................................................

৯। আপোনাৰ সমাজত বলি-বিধান প্ৰথা প্ৰচলন আছে নেকি? [আছে] [নাই]

১০। আপোনাৰ এলেকাত দুৰ্গা পূজা পালন কৰে নে? [কৰে] [নকৰে]

যদি কৰে কেনে ধৰণে পালন কৰে উল্লেখ কৰক..............................................................................................................

......................................................................................................................................................................

১১। আপোনাৰ জনগোষ্ঠীয় সমাজত পালন কৰা নাৰীসকলৰ ধৰ্মীয় পূজা ভাগৰ নাম কি? [টুচু পূজা] [চাৰুল পৰব]

১২। টুচু পূজা একেলেথাৰিয়ে কেইবাৰ পতা হয়? [তিনিবাৰ] [পাঁচবাৰ]

১৩। আপোনাৰ জনগোষ্ঠীয় সমাজত গছৰ তলত চাকি জ্বলায় নেকি? [জ্বলায়] [নজ্বলায়]

যদি গছৰ তলত চাকি জ্বলায় কি গছৰ তলত চাকি জ্বলোৱা হয়? উল্লেখ কৰক ..........................................................

১৪। আপোনাৰ সমাজত কি গছক পবিত্ৰ স্বৰূপে গণ্য কৰা হয়? উল্লেখ কৰক...................................................................

১৫। আপোনাৰ সমাজত বেমাৰ-আজাৰ, অপায়-অমংগল ৰোধ কৰিবৰ বাবে অপদেৱতাক পূজা আগবঢ়োৱা হয় নেকি? [হয়] [নহয়]

যদি পূজা আগবঢ়ায় উল্লেখ কৰক...........................................................................................................................

............................................ ............................................

তথ্য সংগ্ৰহকাৰীৰ স্বাক্ষৰ তথ্যদান কাৰীৰ স্বাক্ষৰ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri